*Total number of printed pages–4*

**14 (ASM–1) 1026**

**2021**

**( Held in 2022 )**

**ASSAMESE**

Paper : ASM–1026

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। এটা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) উমাকান্ত শৰ্মাৰ প্ৰথম উপন্যাসৰ নাম কি?

(খ) ‘এজাক মানুহ এখন অৰণ্য’ উপন্যাসখনত কেইটা প্ৰজন্মৰ জৰিয়তে ঘটনা-প্ৰৱাহ আৱৰ্তিত হৈছে?

(গ) দণ্ডিনাথ কলিতাৰ ‘গণবিপ্লৱ’ উপন্যাসখনৰ পটভূমি কি?

(ঘ) দণ্ডিনাথ কলিতাৰ সৰ্ববৃহৎ উপন্যাসখনৰ নাম কি?

Contd.

(ঙ) 'অয়নান্ত' উপন্যাসৰ মুখ্য চৰিত্ৰটোৰ নাম কি?

(চ) জ্ঞান পূজাৰীৰ নিৰ্বাচিত কবিতা সংকলনটিৰ নাম লিখা।

(ছ) মফিজুদ্দিন আহমদ হাজৰিকাৰ 'বিশ্বখনিকৰ' কবিতাত কোন কবিৰ ভাবাদৰ্শ অধিক স্পষ্ট?

(জ) 'হাৱা ভাল চলা নাই' নামৰ গল্প সংকলনটো কাৰ ৰচনা?

(ঝ) কোনগৰাকী অসমীয়া গল্পকাৰক 'মালগুড়ী দেজ' খ্যাত আৰ. কে. নাৰায়ণৰ লগত তুলনা কৰা হয়?

(ঞ) শ্বিলঙৰ পটভূমিত সৰহ সংখ্যক গল্প ৰচনা কৰা গল্পকাৰ গৰাকীৰ নাম উল্লেখ কৰা।

২। $২\times১০=২০$

(ক) 'ছিমছাঙৰ দুটি পাৰ' আৰু 'ভাৰণ্ড পখীৰ জাক' উপন্যাস দুখনৰ কোন কোন জনগোষ্ঠীৰ জীৱনধাৰাই ঠাই পাইছে?

(খ) কোনে কেতিয়া 'আৱিষ্কাৰ' উপন্যাসখন লিখিছিল?

(গ) অৰূপা পটংগীয়া কলিতাৰ উপন্যাসত চিত্ৰিত হোৱা *দুটা* প্ৰধান সমস্যাৰ কথা উল্লেখ কৰা।

(ঘ) চেৰদুকপেন সমাজক লৈ ৰচিত য়েছে দৰজে ঠংচিৰ *দুখন* উপন্যাসৰ নাম লিখা।

(ঙ) ভৱানন্দ দত্তৰ মতে দেৱকান্ত বৰুৱাৰ ট্ৰেজেডি কি?

(চ) কোন *দুখন* গ্ৰন্থৰ অন্তৰ্ৱৰ্তী কালৰ এক বিশেষভাৱে তাৎপৰ্যপূৰ্ণ অসমীয়া কাব্যকৃতি বুলি ‘জ্ঞানমালিনী’ক অভিহিত কৰা হয়?

(ছ) ভবেন বৰুবাৰ *যিকোনো এটা* প্ৰেমৰ কবিতাৰ নামোল্লেখ কৰি তাত কি অনুভৱ ব্যক্ত হৈছে লিখা।

(জ) আৱাহন যুগৰ চুটিগল্পত কোনকেইটা পশ্চিমীয়া দৰ্শন আহি প্ৰৱেশ কৰে?

(ঝ) হিমেন্দ্ৰ বৰঠাকুৰৰ ‘দ্বীপ’ নামৰ নাটকখন কি বিষয়বস্তুৰ ওপৰত ৰচিত?

(ঞ) উদ্ভট (Absurd) নাটকৰ *দুটা* প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

৩। চমুটোকা লিখা : *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) মফিজুদ্দিন আহমদ হাজৰিকাৰ ‘জ্ঞানমালিনী’ৰ ছন্দ-ৰীতি

(খ) ভবেন বৰুৱাৰ কবিতাৰ চিত্ৰকল্প

(গ) নকুল চন্দ্ৰ ভূঞাৰ নাটকৰ সংলাপ

(ঘ) দণ্ডিনাথ কলিতাৰ উপন্যাসত সমাজ-সংস্কাৰৰ সুৰ

(ঙ) অতুল চন্দ্ৰ হাজৰিকাৰ নাটকৰ ভাষা

(চ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ চুটিগল্পত 'ৰাজনীতি'।

৪। ৰচনাধৰ্মী উত্তৰ দিয়া : *(যিকোনো তিনিটা)* ১০×৩=৩০

(ক) বিনন্দ চন্দ্ৰ বৰুৱা, উমেশ চৌধাৰী আৰু প্ৰসন্নলাল চৌধাৰীৰ কবিতাৰ মূল্যায়ন ভৱানন্দ দত্তই 'অসমীয়া কবিতাৰ কাহিনী'ত কিদৰে কৰিছে ফঁহিয়াই দেখুওৱা।

(খ) জ্ঞান পূজাৰীৰ কবিতাত অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তিৰ কেনেদৰে উন্মোচন হৈছে নিদৰ্শনসহ দেখুওৱা।

(গ) হিমেন্দ্ৰ কুমাৰ বৰঠাকুৰৰ নাটকত আধুনিকতাৰ উপাদান কিদৰে মিহলি হৈ আছে, ফঁহিয়াই দেখুওৱা।

(ঘ) য়েছে দৰজে ঠংচিৰ উপন্যাসৰ বিষয়বস্তুৰ অভিনৱত্ব সম্পৰ্কে আলোচনা কৰা।

(ঙ) চুটিগল্পক শিল্প হিচাপে ৰূপায়িত কৰাত শীলভদ্ৰই কিদৰে সফলতা অৰ্জন কৰিছে, আলোচনা কৰা।

(চ) বিপুল খাটনিয়াৰৰ চুটিগল্পত প্ৰান্তীয় জীৱনৰ প্ৰতিফলন দেখুওৱা।

---